অধ্যায় ৬ ঃ জন-সংযোগৰ তত্ত্বসমূহ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ আদর্শতত্ত্বসমূহ (normative theory)

৬.৩.১ ছপা মাধ্যমৰ আদর্শতত্ত্বসমূহৰ ধাৰণা

৬.৩.২ ছপা মাধ্যমৰ আদর্শ তত্ত্বসমূহৰ বিভিন্ন প্রকাৰ

৬..৩.৩ আদর্শতত্ত্বসমূহত সংযোজন

৬.৪ সমাজতাত্ত্বিক তত্ত্বসমূহ

৬.৪.১ কর্ষণ সূত্র (cultivation theory)

৬.৪.২ বিষয়নির্মাণ (agenda setting) তত্ত্ব

৬.৪.৩ UGT (The Uss & Gratification) তত্ত্ব

৬.৪.৪ নির্ভৰশীলতা (dependency) তত্ত্ব

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্রগতিৰ খতিয়ান

৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰিলে বুজিব পাৰিব—

- গণসংযোগৰ লগত জড়িত বিভিন্ন সূত্রসমূহৰ বিষয়ে জানিব পাৰিব
- আদর্শ সূত্রসমূহ (normative theory)ৰ বিষয়ে জানিব পাৰিব
- সমাজতাত্ত্বিক সূত্রসমূহ (sociological theories)ৰ বিষয়ে জানিব পাৰিব।

৬.২ পৰিচয়

গণসংযোগ হৈছে এটা প্রক্রিয়া বা পদ্ধতি যাৰ জৰিয়তে সমাজৰ বিভিন্ন অংশলৈ বিভিন্ন তথ্যসমূহ প্রেৰণ কৰা হয়। গণসংযোগ অন্য কিছু সংযোগীয় মাধ্যম যেনে সম্পকীয় সংযোগ (relational correspondence) বা পদানুক্রমিক সংযোগ (hierarchical correspondence) বা অন্য কিছু সংযোগতকৈ পৃথক কিয়নো গণসংযোগে বিভিন্ন গ্রাহকক (যি সকলে তথ্যবোৰ লয়) নির্দিষ্ট তথ্য প্রেৰণতহে গুৰুত্ব প্রদান কৰে। গণসংযোগৰ অধ্যয়নে মূলতঃ বিভিন্ন মাধ্যমে প্রেৰণ কৰা তথ্যৰ সাৰাংশখিনিৰ দ্বাৰা কিদৰে ব্যক্তি আৰু (ব্যক্তি) সমূহ আশ্বস্ত

হয়, বা কিদৰে তেওঁলোকৰ আচৰণ, মন্তব্য বা অনুভৱ আগিবোৰ প্ৰভাৱিত হয় ইত্যাদিবোৰ কথা চায়।

অতি সাধাৰণভাৱে, বিভিন্ন বাৰ্তা এজন ব্যক্তিৰ পৰা বহুজনলৈ সৰবৰাহ কৰাটোৱেই হ'ল গণসংযোগ। সামগ্ৰিকভাৱে, গণসংযোগক এক পদ্ধতি বুলি ক'ব পাৰি যাৰ জৰিয়তে কিছু তথ্য প্ৰথমে কিছু লোকৰ মাজত আৰু লাহে লাহে প্ৰসাৰিত কৰি ৰাষ্ট্ৰ বা পৃথিৱীৰ সমগ্ৰ মানুহৰ মাজতে বিলাই দিব পাৰি।

গণসংযোগৰ জৰিয়তে দ্ৰুতভাৱে অসংখ্য জনগণৰ মাজত যিসকল বিভিন্ন তথ্যৰ পৰা আঁতৰত, সেই তথ্যসমূহ বিয়পাই দিব পাৰি। গণসংযোগৰ বিভিন্ন মাধ্যম আছে যেনে— ৰেডিঅ', টি.ভি, ছছিয়েল নেটৱৰ্কিং, বিলবৰ্ড, বাতৰি কাকত, আলোচনী, চিনেমা আৰু ইণ্টাৰনেট।

গণসংযোগৰ বিষয়ে বুজি পাবলৈ আমি ইয়াৰ লগত জড়িত কিছু সূত্ৰ বা তত্ত্ব জনাটো দৰকাৰ। গণসংযোগৰ সূত্ৰই ইয়াৰ লগত জড়িত (যেনে- ব্যক্তি দল, প্ৰতিষ্ঠান, তথ্য আদি) বিভিন্ন ধাৰণাৰ সংযোগ, তাৰ সাংখ্যিক কাৰকসমূহ ইত্যাদি পদ্ধতিগতভাৱে বুজাত সহায় কৰে। সূত্ৰ বা তত্ত্বৰ পৰা আমি গম পাওঁ বিশেষ এক পৰিস্থিতিত গোটেই পদ্ধতিটোৱে কেনেকৈ কাম কৰে। এই অধ্যায়ত আমি আদৰ্শ সূত্ৰ (normative theory) আৰু সমাজতাত্ত্বিক সূত্ৰসমূহৰ (sociological theories) বিষয়ে আলোচনা কৰিম।

৬.৩ আদৰ্শ তত্ত্বসমূহ (normative group of theories)

ফ্ৰেড চিৰ্বাট, থিয়ড'ৰ পিটাৰচন আৰু ৱিলবাৰ স্ক্ৰামে পোন প্ৰথমবাৰৰ বাবে আদৰ্শ সূত্ৰসমূহ তেওঁলোকৰ গ্ৰন্থ Four Theories of Pressত আগবঢ়াইছিল। মূলতঃ যিসময়ত আমেৰিকা কমিউনিষ্ট ছোভিয়েটৰ সৈতে শীতল যুদ্ধত ব্যস্ত আছিল সেই সময়তে এই তত্ত্বৰ আৱিৰ্ভাৱ হয়। বহুসময়ত এই সূত্ৰক গণমাধ্যমৰ পছিমীয়া তত্ত্ব বা সূত্ৰ বুলিও কোৱা হয়।

আদৰ্শ সূত্ৰই বিশ্লেষণ কৰে যে মাধ্যম (media) এটাৰ সমগ্ৰ গাঠনিটোৰ বাবে বিশুদ্ধ পথটো হ'ল ইয়াক চৰকাৰ, কৰ্তৃপক্ষ বা জনসাধাৰণে নিয়ন্ত্ৰণ কৰিব লাগে আৰু ই এইসমূহৰ বাবে কাম কৰিব লাগে। ছপা মাধ্যমৰ আদৰ্শ সূত্ৰসমূহ (normative theories of press) গণসংযোগৰ অন্য সূত্ৰসমূহকৈ বেলেগ কিয়নো আদৰ্শ সূত্ৰই কোনো ধৰণৰ বৈজ্ঞানিক বিশ্লেষণ অথবা পূৰ্বানুমানৰ আভাস দিব নোৱাৰে। "ছপামাধ্যমৰ চাৰিটা সূত্ৰ" মাত্ৰ এটা উৎসৰ পৰা উদ্ভৱ হোৱা নাই, বৰং ইয়াৰ আৱিৰ্ভাব উৎস অসংখ্য। কেতিয়াবা মাধ্যম বিশেষজ্ঞ, সামাজিক সমালোচক, বা শিক্ষাৰ লগত জড়িত ব্যক্তিয়ে আদৰ্শ সুত্ৰ নিৰ্মাণত নিজাকৈ সংযোজন কৰে।

আদৰ্শ সূত্ৰসমূহে ছপা মাধ্যম (press) আৰু দৰ্শকৰ সম্পৰ্কৰ বিপৰীতে চৰকাৰ আৰু ছপামাধ্যমৰ (press) সম্পৰ্কক প্ৰগতিশীলভাৱে বিশ্লেষণ কৰে। এই সূত্ৰসমূহে মূলতঃ দেশ এখনত প্ৰচাৰ মাধ্যমসমূহ বা প্ৰেছক (press) কোনে নিয়ন্ত্ৰণ কৰে, তেওঁলোকৰ দায়িত্ব কি ইত্যাদিবোৰ কথাৰ ওপৰত বোছ গুৰুত্ব দিয়ে।

৬.৩.১ ছপামাধ্যমৰ আদর্শতত্ত্বৰ ধাৰণা

১৯ শতিকাৰ পৰাই দেখা গৈছিল প্রচাৰ মাধ্যম (media)সমূহ প্রতিযোগিতামূলক হৈছিল আৰু হালধীয়া সাংবাদিকতাও বিকাশ হ'ব ধৰিলে। জনসাধাৰণ বা ব্যক্তিসমূহক আকর্ষণ কৰিবলৈ প্রচাৰ মাধ্যমে উত্তেজনামূলক বাতৰি পৰিৱেশন কৰিবলৈ আৰম্ভ কৰিলে। এই সময়ছোৱাতে, ছপামাধ্যমৰ আদর্শসূত্রসমূহ বিকাশ হ'ব ধৰিলে। ই মূলতঃ চৰকাৰ আৰু প্রচাৰ মাধ্যমৰ যি সম্পর্ক সেই সম্পর্কত জনগণৰ প্রতি ইয়াৰ কর্তব্য আদি বুজিবলৈ যত্ন কৰে। এই সূত্রসমূহৰ জৰিয়তে প্রচাৰ মাধ্যমসমূহক নিকাকৈ ৰাখি ইয়াক বাট দেখুৱাৰ কথা কোৱা হয়। স্পষ্টতা আৰু বস্তুনিষ্ঠতা এই দুই কাৰকক প্রচাৰ মাধ্যম বা মিডিয়াৰ বিকাশত তাৎপর্যপূর্ণ বুলি ভবা হয়। যদিও প্রচাৰ মাধ্যমবোৰে ভাবে যে তেওঁলোকৰ ভাৱচিন্তা অসাধাৰণ, তথাপি এই সূত্রসমূহে তেওঁলোকে কোন বাটে যোৱা উচিত তাক কয়। আদর্শ সূত্রই কি ধৰণৰ চৰকাৰৰ দিনত কেনে ধৰণৰ কাম কৰে তাৰ বাখ্যা দিয়ে। গণমাধ্যম (media)ৰ কর্মপন্থা কি হোৱা উচিত, ইয়াৰ গাঁথনি, ই কি পথ আকোৱালি লোৱা উচিত — বিশুদ্ধ পথতো দেখুৱাই দিয়াটোৱেই এই সূত্রৰ মূল সাৰ।

৬.৩.২ ছপা মাধ্যমৰ বিভিন্ন প্রকাৰ আদর্শ তত্ত্বসমূহ

কর্তৃত্বশীল সূত্র বা তত্ত্ব ঃ

ছপামাধ্যমৰ (প্রেছৰ) কর্তৃত্বশীল তত্ত্ব মতে প্রচাৰ মাধ্যমক চৰকাৰ, প্রভাৱশালী ব্যক্তি (elite) বা বিভিন্ন কর্তৃপক্ষই নিয়ন্ত্রণ কৰে। চৰকাৰ বা তেনে প্রভাৱশালী ব্যক্তিক সমালোচনা কৰাৰ পৰা বিৰত কৰা হয়। চৰকাৰে তেওঁলোকৰ বিপক্ষে প্রকাশিত বা যিকোনো খবৰ-বাতৰি আদিত বাধা নিষেধ আৰোপ কৰে।

এনে ব্যৱস্থাত নিয়ম-নীতি, অনুমোদন ইত্যাদিৰ জৰিয়তে প্রেছ বা প্রচাৰ মাধ্যমৰ স্বাধীনতাক নিয়ন্ত্রণ কৰা হয়। সামাজিক ব্যৱস্থা বা সংহতি (social order) যাতে আহৰণ কৰিব পাৰি তাৰ বাবেই এনে ব্যৱস্থা লোৱা হয় বুলি কোৱা হয়।

এই সূত্রই ব্যক্তি বা জনতাৰ প্রয়োজনীতাক আওকাণ কৰি চৰকাৰী কর্মসূচী প্রচাৰ-প্রসাৰৰ (propaganda) লগতে বিশেষ কিছু কার্যসূচী (agenda) নিমার্ণত ব্যস্ত থাকে। এনে ব্যৱস্থাত সুযোগ-সুবিধা সীমিত। ভূটানৰ ছপা মাধ্যমক (মাধ্যমবোৰক) এনে ব্যৱস্থাৰ এক উদাহৰণ হিচাপে ল'ব পাৰি।

উদাৰবাদী বা মুক্ত প্রেছ সূত্র ঃ

উদাৰবাদী বা মুক্ত প্রেছ সূত্র কর্তৃত্বশীল সূত্রৰ ঠিক বিপৰীত। ইয়াত প্রেছক (প্রচাৰ মাধ্যমক) অধিক স্বাধীনতা দিয়া হয় আৰু লগতে ব্যক্তিক বৌদ্ধিকভাৱেও পৰিপক্ক বুলি ভবা হয়। ভুলৰ ঠাইত শুদ্ধটোকে তেওঁলোকে নির্বাচন কৰিব পাৰে বুলিও

গণ্য কৰা হয়। ইয়াৰ পৰাই ৰাইজ আৰু প্ৰেছৰ মাজত সংযোগ আৰম্ভ হয়। ব্যক্তি বা সমূহক মুকলিকৈ ভাৱ প্ৰকাশৰ স্বাধীনতা দিয়া হয়। অহস্তক্ষেপ নীতি এনে ব্যৱস্থাত মানি চলা হয়।

এই ব্যৱস্থাৰ কিছু সীমাযবদ্ধতা নথকা নহয়। যেনে- ভুৱা প্ৰচাৰ আৰু ভুৱা খবৰৰ প্ৰকাশ। তথাপি প্ৰচাৰ মাধ্যম (media) চৰকাৰী এজেণ্ট হোৱাৰ বিপৰীতে ই এক বিশেষ স্বাধীনতন্ত্ৰ। মাধ্যমসমূহে চৰকাৰক সমালোচনা কৰিব পাৰে আৰু একে সময়তে ই সাধাৰণ ৰাইজৰ বাবে অভিভাৱক বা অতন্দ্ৰ প্ৰহৰী হৈ থাকে। ই গোপনীয়তাক অৱমাননা কৰে আৰু পুঁজিবাদৰ হৈ কাম কৰে। স্বাধীনতাৰ ঘোষণাৰ পিছত আমেৰিকাই এই ব্যৱস্থাক আকোৱালি লৈছিল।

সামাজিক দায়িত্ববোধ তত্ত্ব ঃ

এই ধাৰণাত ছপা মাধ্যম বা মাধ্যমক যিকোনো কথাই প্ৰকাশৰ স্বাধীনতা দিয়া হয়, কিন্তু সাৱধানো কৰি দিয়া হয় যাতে তেওঁলোক নিজৰ কৰ্মকাণ্ডৰ সম্পৰ্কে সজাগ হৈ থাকে। প্ৰেছৰ প্ৰাথমিক কামেই হ'ল গণতন্ত্ৰক সুৰক্ষিত কৰা তথা ইয়াৰ বিকাশ সাধন কৰা। নীতি-নিয়ম ইত্যাদিৰ জৰিয়তে প্ৰেছ বা ছপামাধ্যমক দায়িত্ব সহকাৰে নিজা কৰ্তব্য পালন কৰিবলৈ সোঁৱৰাই দিয়া হয়। চৰকাৰে সুনিয়ন্ত্ৰিতভাৱে মাধ্যমসমূহক নজৰত ৰাখে বা প্ৰতিক্ৰিয়াও দিব পাৰে যদিহে ই কিছু তথ্য ভুলভাৱে প্ৰকাশ কৰিছে যিয়ে গণতন্ত্ৰ আৰু সামাজিক সংহতি বিনষ্ট কৰাত অৰিহণা যোগায়। দৰ্শকো মাধ্যমবোৰত প্ৰকাশিত খবৰৰ ক্ষেত্ৰত দায়িত্বশীল হোৱাটো প্ৰয়োজনী। চৰকাৰে নিজা ইচ্ছা অনুসাৰে মাধ্যমৰ ক্ষেত্ৰ খনত অনাধিকাৰ প্ৰৱেশ কৰিব নোৱাৰে। মাধ্যমক জনগণৰ প্ৰতিনিধি হিচাপে ধৰা হয়। এই ধাৰণাত কোম্পানীবোৰে নিজা স্বাৰ্থ আৰু লাভালাভৰ বাবে মাধ্যম বা প্ৰেছক ব্যৱহাৰ কৰিব নোৱাৰে। সাম্প্ৰতিক সময়ত যুৰোপ তথা যুৰোপৰ প্ৰভাৱ থকা কিছু দেশত এই ধাৰণৰ প্ৰভাৱ দেখা যায়।

কমিউনিষ্ট তত্ব ঃ

এই সূত্ৰক ছোভিয়েট সূত্ৰ বুলিও কোৱা হয়। ১৯১৭ চনত হোৱা ৰাছিয়ান বিপ্লৱৰ পৰাই এই সূত্ৰৰ আৰম্ভণি। এই সূত্ৰমতে মাধ্যমসমূহৰ মৌলিক কাম হ'ল কমিউনিজিম বা কমিউনিষ্ট আদৰ্শক আগু�ৱাই লৈ যোৱা যাতে কমিউনিষ্ট লক্ষ্যত উপনীত হ'ব পাৰি। এই ধাৰণাত কমিউনিষ্ট শক্তিয়ে মাধ্যমসমূহক নিয়ন্ত্ৰণ কৰে। প্ৰচাৰ মাধ্যমলৈ যোৱা তথ্যসমূহ নিয়ন্ত্ৰণ আৰু সেইবোৰ ব্যৱহাৰ কৰি কমিউনিষ্ট প্ৰয়োজনীয়তাক সন্তুষ্টি প্ৰদান কৰাই এনে প্ৰচাৰ মাধ্যমৰ কাম।

ইয়াত মূলতঃ শ্ৰমজীৱী জনতাক লক্ষ্য কৰি লোৱা হয়। এই ধৰণৰ ব্যৱস্থা কৰ্তৃত্বশীল ব্যৱস্থাতকৈ কিছু স্বাধীন বিশেষকৈ প্ৰকাশ পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি এই কথা ক'ব পাৰি। চীনৰ প্ৰচাৰ মাধ্যমৰ কাম-কাজক এই ধৰণৰ ব্যৱস্থাত পৰে বুলি ক'ব পাৰি।

৬.৩.৩ ছপা মাধ্যমৰ আদর্শ তত্ত্বসমূহত সংযোজন

চাৰিটা আদর্শ সূত্রৰ লগত মেককুৱেল নামৰ তাত্ত্বিকজনে আৰু দুটা সূত্র যোগ কৰিছে। তাৰে এটা প'ল অংশগ্রহণকাৰী-গণতান্ত্রিক মাধ্যম সূত্র আৰু আনটো হ'ল বিকাশশীল মাধ্যম (বিকাশশীল যোগাযোগ) সূত্র। প্রথম সূত্রত প্রচাৰ মাধ্যমত জনগণৰ সহযোগৰ কথা কোৱা হয়। দ্বিতীয় সূত্রত প্রচাৰ মাধ্যমক স্থানীয় বিকাশৰ এক সঁজুলি বুলি ধৰা হয়।

আদর্শ সূত্র মূলতঃ কি ধৰণৰ ৰাষ্ট্রব্যৱস্থা বা কি ধৰণৰ চৰকাৰ চলি আছে তাৰ ওপৰত নির্ভৰশীল। এই হিচাপত কোনটো সূত্র বা ব্যৱস্থা আটাইতকৈ ভাল কোৱাটো টান। ৰাষ্ট্রৰ বাবে প্রচাৰ মাধ্যম অতিকে প্রয়োজনীয় আৰু চৰকাৰৰ প্রয়োজনীয়তাত তাক ব্যৱহাৰ কৰিব পাৰে।

আদর্শ সূত্রৰ পিছত প্রচাৰ মাধ্যম ৰ বিশ্লেষণ ধাৰণা আৰু সঠিক কৰি তুলিবলৈ অন্য কিছু সূত্রৰ আৱির্ভাৱ হয়। তাৰে কিছু পশ্চিমীয়া (যেনে- উদাৰবাদী, সামাজিক দায়িত্ববোধ সূত্র), উন্নয়ন ধাৰণা সূত্র, বৈপ্লৱিক ধাৰণা সূত্র, সংক্রমণশীল মাধ্যম সূত্র আদি।

৬.৪ সমাজতাত্ত্বিক তত্ত্বসমূহ

গণসংযোগৰ ক্ষেত্রত সমাজতাত্ত্বিক বিশ্লেষণে কয় যে গণসংযোগ মাধ্যমসমূহ আৰু সমাজ পৰিৱর্তনৰ এক এৰাব নোৱাৰা সম্পর্ক আছে (যেনে- সামাজিক মূল্যবোধ, জনবিশ্বাস, মন্তব্য আদি)। আমি ইয়াত মূলতঃ কিছুমান প্রশ্ন যেনে- গণমাধ্যমসমূহ জগত সম্পর্কে নিয়মিতভাৱে একধৰণৰ আস্থা নির্মাণৰ কাম কৰেনে? বা ব্যক্তিৰ বাবে ই প্রেৰণাৰ উৎস হৈ পৰেনে? ব্যক্তি বা ব্যক্তিসমূহে গণমাধ্যমসমূহ কিয় ব্যৱহাৰ কৰে। দর্শকতকৈ প্রচাৰ মাধ্যমৰ ক্ষমতা বেছি নেকি?

৬.৪.১ কর্ষণ তত্ত্ব

কর্ষণ সূত্রটো জর্জ গার্বনাৰে বিকাশ কৰিছিল। এই সূত্রমতে গণমাধ্যমসমূহৰ দর্শকৰ ওপৰত সুক্ষ্মভাৱে হ'লেও প্রভাৱ থাকে। গণমাধ্যমসমূহে দিয়া প্রভাৱশালী চিত্র, চিহ্ন, প্রতীক বা বার্তা দর্শকে গ্রহণ কৰে। তেওঁ "ইয়াক প্রচলিত চিত্রৰ নক্সাৰ কর্ষণ" (cultivation of prevailing picture design) বুলি উল্লেখ কৰিছে। এই সুত্রমতে, টি.ভিৰ পৰিশ্রমী আৰু নেৰানেপেৰা প্রচেষ্টাই জনগণৰ মাজত জগত সম্পর্কে একধৰণৰ নিৰন্তৰ বিশ্বাস নির্মাণৰ বাবে উৎকৃষ্ট। গার্বনাৰ আৰু তেওঁৰ সহযোগীসকলৰ মতে, টি.ভিয়ে সমাজৰ বাস্তৱতাখিনি নেদেখুৱায়। এনে ধৰণৰ বিকৃত উপস্থাপনৰ

ফলত জগত সম্পর্কে এক ধৰণৰ বিশেষ ধাৰণাহে প্রসাৰিত হয়। এনে ধাৰণা এবাৰ বিকাশ হোৱাৰ পিছত সি বদ্ধমুল ধাৰণা বা বিশ্বাসত পৰিণত হয়গৈ। উদাহৰণ স্বৰূপে আড়ম্বৰতা, বৃহৎ অট্টালিকা, সাজপাৰ, পুতলা, চকলেট, ফাষ্ট ফুড, বৈদ্যুতিক সা-সৰঞ্জাম আদিসমূহৰ অহৰহ প্রচাৰে মানুহৰ মাজত এটা ভাৱ সুমুৱাই দিব পাৰে যে সেইসমূহ প্রয়োজনীয় বা আহৰণ কৰিব পাৰি। কিন্তু দুখীয়া মানুহৰ বাবে সেই বার্তা উপযোগী নহয়। গার্বনাৰৰ সকিয়াই দিছে যে গণমাধ্যমে সমাজৰ ক্ষতিৰ ফাললৈ লৈ যাব পাৰে।

৬.৪.২ বিষয় নির্মাণ তত্ত্ব (Agenda-Setting Theory)

মেক্সৱেল মেককম্ব, আৰু ডনাল্ড এল. শ্বয়ে ১৯৭২ চনত এই সূত্রটো পৰিভাষিত কৰিছিল। ৰাজনৈতিক যুদ্ধৰ ক্ষেত্রখনত ৰাজনৈতিক দলে বা চৰকাৰে তেওঁলোকৰ বাবে তাৎপর্যপূর্ণ বুলি বিবেচিত বিষয়সমূহক জনতাৰ মাজলৈ নি কিদৰে ৰাইজক ভুলাব পাৰি সেই সংক্রান্তত এই সূত্রৰ কথা উল্লেখ কৰিছে। বিষয় নির্মাণ সূত্রমতে প্রচাৰ মাধ্যমে নির্মাণ কৰা বিভিন্ন বিষয়বোৰৰ জৰিয়তে জনতাই 'কি ভাবিব লাগে' তাৰ ঠাইত 'কি মানি লোৱা উচিত'— সেই প্রভাৱ নির্মাণ কৰাত সফল হৈছে। গণমাধ্যমৰ বিষয় বা ইছ্যুবোৰৰ তাৎপর্য আৰু সাধাৰণ মানুহ তথা চৰকাৰী কর্মকতাৰ তাত প্রয়োজনীয় সংযোজন লগতে সংযোগ এই গোটেইবোৰ বিষয়েই এইধৰণৰ অধ্যয়নৰ মাজলৈ আহে। বহু সময়ত প্রচাৰ মাধ্যমে প্রয়োজনীয় বুলি গণ্য কৰা কিছু বিষয় ৰাইজৰ বাবেও প্রয়োজনীয় বুলি এই সূত্রই ইংগিত দিয়ে।

সমালোচকসকলে (মেককুৱেল, ১৯৮৩ আদিয়ে) প্রচাৰ মাধ্যমৰ এজেণ্ডা বা বিষয়বোৰ আৰু ৰাইজৰ বিষয়বোৰৰ মাজৰ কিবা নৈমিত্তিক ধৰণৰ সম্পর্ক আছেনে তাক সিদ্ধ কৰিবলৈ প্রমানৰ অভাৱ বুলি কৈছে। সেয়েহে তেওঁলোকে এই বিষয়ত এক অধ্যয়নৰ গুৰুত্ব আছে বুলি কৈছে। সাধাৰণভাৱে ৰাজনৈতিক দলৰ বিভিন্ন দলীয় অনুষ্ঠান আৰু এক বিশেষ অঞ্চলত আৰু বিশেষ সময়ত মানুহৰ আৱেগৰ পৰিৱর্তনৰ প্রমাণৰ এক যুটীয়া অধ্যয়ন হ'ব লাগে। তাত প্রচাৰ মাধ্যমৰ বিভিন্ন বিষয়ত কেনে ধৰণৰ অৱস্থান বা চিন্তা চর্চা আছিল আৰু সেই অঞ্চলৰ মানুহে সেই সময়ত কিমান প্রচাৰ মাধ্যম ব্যৱহাৰ কৰিছিল যাতে উমান পোৱা যায়। প্রমাণৰ অবিহনে বিষয় নির্মাণ সূত্র সম্পর্কে থকা পূর্বানুমান বিফল হবলৈ বাধ্য।

৬.৪.৩ UGT (The Uses and Gratification Theory) তত্ত্ব

UGT সূত্রই মূলতঃ প্রচাৰ মাধ্যমে জনগণক কি ধৰণেৰে ভাৱে বা ব্যৱহাৰ কৰে তাৰ ঠাইত জনগণে প্রচাৰ মাধ্যমক কি ভাৱে লয় বা কেনেকৈ ব্যৱহাৰ কৰে। সেই

বিষয়ত গুৰুত্ব আৰোপ কৰে। মূল প্ৰশ্নটো হ'ল মানুহে গণ মাধ্যমক কিয় ব্যৱহাৰ কৰে আৰু কেনেকৈ ব্যৱহাৰ কৰে? এই ব্যৱহাৰিক (Uses) সূত্ৰমতে দৰ্শক গতিশীল আৰু সহজতে দৰ্শকে প্ৰচাৰ মাধ্যমৰ ওচৰত নিজকে উন্মোচন কৰে। প্ৰচাৰ মাধ্যমৰ এক ক্ষমতাশালী উপাদানেও এজন দৰ্শকৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰিবও ও পাৰে যদিহে তেওঁ থকা পৰিৱেশত সেই উপাদানৰ কোনো ব্যৱহাৰযোগ্যতা নাই। দৰ্শকৰ ইচ্ছা-অনিচ্ছা, পচন্দ মতেহে এজন দৰ্শকে প্ৰচাৰ মাধ্যমৰ উপাদানবোৰৰ গুণাগুণ নিৰ্ণয় কৰে আৰু সেয়ে তেওঁ কি ধৰণৰ প্ৰচাৰ মাধ্যম ব্যৱহাৰ কৰিব সেয়া তেওঁৰ ওপৰত নিৰ্ভৰশীল।

gratificationবা সন্তুষ্টি সূত্ৰমতে দৰ্শকে গণমাধ্যম বা প্ৰচাৰ মাধ্যম ব্যৱহাৰৰ পিছত কি ধৰণৰ সন্তুষ্টি লাভ কৰে তাৰ অভিজ্ঞতাৰ ইংগিত দিয়ে। দৰ্শকে প্ৰচাৰ মাধ্যম ব্যৱহাৰ বা কি কাৰণে ইয়াক ব্যৱহাৰ কৰা হয় সেই বিষয়তো স্পষ্টতা প্ৰদান কৰে। ডেভিচনে (১৯৫৯) মানুহ আৰু পৰিৱেশৰ মাজৰ সম্পৰ্কক সলনা-সলনিকৈ বাখ্যা কৰিলে তেনে অধ্যয়নৰ পৰা ভাল ফলাফল আশা কৰিব পাৰি বুলি কৈছে। তেওঁ প্ৰস্তাৱ দিছে যে, যেতিয়াই প্ৰচাৰ মাধ্যমে দৰ্শকক সৱলীকৰণ কৰি দৰ্শকৰ মাজৰ আন্তঃসম্পৰ্ক আৰু লগতে তেওঁৰ চাৰিওকাষৰ জগতখনৰ লগত সম্পৰ্কৰ উন্নয়ন কৰিব তেতিয়া দৰ্শকৰ ওপৰত যোগাযোগ ব্যৱস্থাৰ প্ৰভাৱো গম পোৱা যাব।

UGT ৰ অধ্যয়নত তিনিটা দল পোৱা যায়-ক) প্ৰথম দলটোৱে প্ৰচাৰ মাধ্যমৰ তথ্যবোৰৰ ওপৰত অধ্যয়ন কৰি সেইবোৰ সফল হৈছেনে নাই চায় খ) দ্বিতীয় দলে সামাজিক আৰু পাৰিপাৰ্শ্বিক চৰ্তসমূহ যিবোৰৰ কাৰণে দশৰ্কে প্ৰচাৰ মাধ্যম ব্যৱহাৰ কৰে তাৰ ওপৰত অনুসন্ধান কৰে, আৰু গ) তৃতীয় দলে দৰ্শকে তেওঁলোকৰ সন্তুষ্টিৰ বাবে কি বিচাৰে সেই কথাবোৰ অধ্যয়ন কৰে।

৬.৪.৪ নিৰ্ভৰশীলতা তত্ত্ব (Dependency Theory)

মেলভিন ডি ফ্লৰ আৰু চাণ্ড্ৰা ৰ'ল-ৰকিচে গণসংযোগ অধ্যয়নত নিৰ্ভৰশীলতা সূত্ৰতো আগবঢ়াইছে। ইয়াত তেওঁলোকে বিভিন্ন মনঃস্তাত্ত্বিক তথা সামাজিক কাৰকসমূহৰ জৰিয়তে কিদৰে প্ৰচাৰ মাধ্যমে দৰ্শকৰ ওপৰত নিজা কৰ্তৃত্ব স্থাপন কৰে তাৰ বিশ্লেষণ আগবঢ়াইছে। ডি ফ্লৰ আৰু চাণ্ড্ৰা ৰ'ল-ৰকিচে কৈছে, "গণমাধ্যমৰ কেৱল যাদৃচ্ছিক ধৰণৰ প্ৰভাৱশালী ক্ষমতাৰে অভাৱ নহয়, বৰং, ই দৰ্শকৰ সৈতে যাদৃচ্ছিক যোগাযোগৰ ক্ষেত্ৰত থকা সুবিধাকনো ল'ব নোৱাৰে। দৰ্শক আৰু প্ৰচাৰ মাধ্যম দুয়োটাই সমাজৰ অবিচ্ছেদ্য অংগ। সমাজ এখনৰ সামাজিক-সাংস্কৃতিক অৱস্থাই প্ৰচাৰ মাধ্যমে দিয়া বাৰ্তাৰ প্ৰয়োজনীয়তা আৰু একে সময়তে দৰ্শকৰ ওপৰত ইয়াৰ প্ৰভাৱ ইত্যাদিবোৰ নিয়ন্ত্ৰণ কৰে"। সমাজ এখন একত্ৰিত কৰি

ৰাখিবলৈ, ইয়াৰ গাঠনিবোৰ ধৰি ৰখাত যোগাযোগৰ মাধ্যমসমূহৰ এক তাৎপর্যপূর্ণ ভূমিকা আছে। সমাজখন বুজিবলৈ, সমাজৰ বিকাশ বুজিবলৈ তথা সমাজত এক স্থান ল'বলৈ ইত্যাদিয়ে প্রচাৰ মাধ্যমৰ প্রতি আমাৰ নির্ভৰশীলতা বৃদ্ধি কৰিছে। এনে প্রেক্ষাপটত প্রচাৰ মাধ্যমে কিছু ক্ষমতা ভোগ কৰা দেখা গৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কর্তৃত্বশীল সূত্র কি?

.....

প্রশ্ন নং ২ ঃ নির্ভৰশীলতা সূত্রটো কি।

.....

প্রশ্ন নং ৩ ঃ উদাৰবাদী বা মুক্ত প্রেছ সূত্রটো কি।

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রচাৰ মাধ্যম বা গণসংযোগৰ বিভিন্ন মাধ্যমসমূহে প্রচাৰ কৰা বিভিন্ন উপাদানসমূহে দর্শকৰ অনুভৱ, মন্তব্য গঠন আদিত কিদৰে ওপৰত প্রভাৱ পেলায় সেয়াই গণসংযোগৰ অধ্যয়ন মূল বিষয়বস্তু।
- গণমাধ্যমসমূহৰ জৰিয়তে নিৰন্তৰভাৱে জনসাধাৰণৰ মাজলৈ বিভিন্ন তথ্য সৰবৰাহ কৰিব পাৰি যিবোৰ তথ্যৰ পৰা তেওঁলোক আঁতৰত বা সেইবোৰ নিজাকৈ সংগ্রহ কৰিব নোৱাৰে ।
- গণসংযোগৰ বাবে বিভিন্ন মাধ্যম আছে— যেনে ৰডিঅ', টি.ভি., ছছিয়েল নেটৰ্ৱর্কিং, বিলবর্ড, বাতৰি কাকত, আলোচনী, চিনেমা আৰু ইণ্টাৰনেট।
- গণসংযোগৰ সূত্রই ইয়াৰ লগত জড়িত (যেনে- ব্যক্তি দল, প্রতিষ্ঠান, তথ্য আদি) বিভিন্ন ধাৰণাৰ সংযোগ, তাৰ সাংখ্যিক কাৰকসমূহ ইত্যাদি পদ্ধতিগতভাৱে বুজাত সহায় কৰে।
- ফ্রেড চির্বাট, থিয়ড'ৰ পিটাৰচন আৰু ৱিলবাৰ স্ক্রামে পোনপ্রথমে গণমাধ্যমৰ আদর্শসূত্রসমূহৰ কথা তেওঁলোকৰ গ্রন্থ *Four Theories of Press*ত আগবঢ়াইছিল।
- আদর্শ সূত্রই বিশ্লেষণ কৰে যে প্রচাৰ মাধ্যম (media)ৰ সমগ্র গাঁথনিটোৰ বাবে বিশুদ্ধ পথটো হ'ল ইয়াক চৰকাৰ, কর্তৃপক্ষ বা জনসাধাৰণে নিয়ন্ত্রণ কৰিব লাগে।
- ছপামাধ্যমৰ (প্রেছৰ) কর্তৃত্বশীল তত্ত্ব মতে, মাধ্যমক চৰকাৰ, প্রভাৱশালী ব্যক্তি (elite) বা বিভিন্ন কর্তৃপক্ষই নিয়ন্ত্রণ কৰে।

- উদাৰবাদী বা মুক্ত প্ৰেছ সূত্ৰ কৰ্তৃত্বশীল সূত্ৰৰ ঠিক বিপৰীত। ইয়াত প্ৰেছক (মাধ্যমক) অধিক স্বাধীনতা দিয়া হয় আৰু লগতে ব্যক্তিক বৌদ্ধিকভাৱেও পৰিপক্ক বুলি ভৱা হয়। দৰ্শকে ভুলৰ ঠাইত শুদ্ধটোকে তেওঁলোকে নিৰ্বাচন কৰিব পাৰে বুলিও গণ্য কৰা হয়।
- সামাজিক দায়িত্ববোধ সূত্ৰৰ ধাৰণাত ছপা মাধ্যম বা মাধ্যমক যিকোনো কথাই প্ৰকাশৰ স্বাধীনতা দিয়া হয়। কিন্তু সাৱধানো কৰি দিয়া হয় যাতে তেওঁলোক নিজৰ কৰ্মকাণ্ড সম্পৰ্কে সজাগ হৈ থাকে ।
- সাম্যবাদী সূত্ৰক ছোভিয়েট সূত্ৰ বুলিও কোৱা হয়। ১৯১৭ চনত হোৱা ৰাছিয়ান বিপ্লৱৰ পৰাই এই সূত্ৰৰ আৰম্ভনি। এই সূত্ৰমতে মাধ্যমসমূহৰ মৌলিক কাম হ'ল কমিউনিজিম বা সাম্যবাদী আদৰ্শক আগুৱাই লৈ যোৱা যাতে সাম্যবাদী লক্ষ্যত উপনীত হ'ব পাৰি।
- চাৰিটা আদৰ্শ সূত্ৰৰ লগত মেককুৱেল নামৰ তাত্ত্বিকজনে আৰু দুটা সূত্ৰ যোগ কৰিছে। তাৰে এটা হ'ল অংশগ্ৰহণকাৰী-গণতান্ত্ৰিক মাধ্যম সূত্ৰ (Democratic-Participant Media Theory)আৰু আনটো হ'ল বিকাশশীল মাধ্যম (বিকাশশীল যোগাযোগ) (Developmental Media/Development Communication) সূত্ৰ।
- গণসংযোগৰ ক্ষেত্ৰত সমাজতাত্ত্বিক বিশ্লেষণে ধাৰণা কৰে যে গণসংযোগৰ মাধ্যম আৰু সমাজ পৰিৱৰ্তনৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে (যেনে- সামাজিক মূল্যবোধ, জনবিশ্বাস, মন্তব্য আদি)।
- কৰ্ষণ সূত্ৰটো জৰ্জ গাৰ্বনাৰে বিকাশ কৰিছিল। এই সূত্ৰমতে গণমাধ্যমৰ দৰ্শকৰ ওপৰত সুক্ষ্মভাৱে হ'লেও প্ৰভাৱ থাকে। গণমাধ্যমসমূহে দিয়া প্ৰভাৱশালী চিত্ৰ, চিহ্ন, প্ৰতীক বা বাৰ্তা দৰ্শকে গ্ৰহণ কৰে।
- মেক্সৱেল মেককম্ব, আৰু ডনাল্ড এল. শ্বয়ে ১৯৭২ চনত বিষয় নিৰ্মাণ সূত্ৰটো (Agenda-Setting Theory) পৰিভাষিত কৰিছিল। ৰাজনৈতিক যুদ্ধৰ ক্ষেত্ৰখনত ৰাজনৈতিক দলে বা চৰকাৰে তেওঁলোকৰ বাবে তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত বিষয়সমূহক জনতাৰ মাজলৈ নি কিদৰে ৰাইজক ভুলাব পাৰি সেই সংক্ৰান্তত এই সূত্ৰৰ কথা উল্লেখ কৰিছে।
- UGT সূত্ৰই মূলতঃ প্ৰচাৰ মাধ্যমে জনগণক কি ধৰণেৰে ভাবে বা ব্যৱহাৰ কৰে তাৰ ঠাইত জনগণে প্ৰচাৰ মাধ্যমক কি ভাৱে ল'ব বা কেনেকৈ ব্যৱহাৰ কৰে। সেই বিষয়ত গুৰুত্ব আৰোপ কৰে। মূল প্ৰশ্নটো হ'ল মানুহে গণ মাধ্যমক কিয় আৰু কেনেকৈ ব্যৱহাৰ কৰে।
- মেলভিন ডি ফ্লৰ আৰু চাণ্ড্ৰা ৰ'ল-ৰকিচে গণসংযোগ অধ্যয়নত নিৰ্ভৰতা সূত্ৰতো আগবঢ়াইছে। ইয়াত তেওঁলোকে বিভিন্ন মনঃস্তাত্ত্বিক তথা সামাজিক কাৰকসমূহৰ জৰিয়তে কিদৰে প্ৰচাৰ মাধ্যমে দৰ্শকৰ ওপৰত নিজা কৰ্তৃত্ব স্থাপন কৰে তাৰ বিশ্লেষণ আগবঢ়াইছে।



৬.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Denis McQuail, (1987) (Second Edition): Mass Communication Theories: An Introduction, London; Sage Publications.
2. John Fiske, (1982), Introduction to Communication Studies; Methuen, London and New York.



৬.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ছপামাধ্যমৰ (প্ৰেছৰ) কৰ্তৃত্বশীল তত্ত্ব মতে, মাধ্যম বা প্ৰচাৰ মাধ্যমক চৰকাৰ, প্ৰভাৱশালী ব্যক্তি (elite) বা বিভিন্ন কৰ্তৃপক্ষই নিয়ন্ত্ৰণ কৰে। চৰকাৰ বা তেনে প্ৰভাৱশালী ব্যক্তিক আলোচনা কৰাৰ পৰা প্ৰচাৰ মাধ্যমক বাৰণ কৰা হয়। চৰকাৰে তেওঁলোকৰ বিপক্ষে প্ৰকাশিত যিকোনো খবৰ বাতৰি আদিত বাধা নিষেধ আৰোপ কৰে।

নিয়ম-নীতি, অনুমোদন ইত্যাদিৰ জৰিয়তে প্ৰেছৰ স্বাধীনতাক নিয়ন্ত্ৰণ কৰা হয়। সামাজিক ব্যৱস্থা বা সংহতি (social order) যাতে আহৰণ কৰিব পাৰি তাৰ বাবেই এনে ব্যৱস্থা লোৱা হয় বুলি কোৱা হয়।

এই সূত্ৰই ব্যক্তি বা সমূহক আওকাণ কৰি চৰকাৰী প্ৰচাৰ প্ৰসাৰৰ (propaganda) লগতে বিশেষ কিছু কাৰ্যসূচী (Agenda) নিমাৰ্ণত ব্যস্ত থাকে। এনে ব্যৱস্থাত সুযোগ-সুবিধা সীমিত। ভূটানৰ ছপামাধ্যমক (প্ৰচাৰ মাধ্যমবোৰক) এনে ব্যৱস্থাৰ এক উদাহৰণ হিচাপে ল'ব পাৰি।

২নং প্ৰশ্নৰ উত্তৰ ঃ মেলভিন ডি ফ্লৰ আৰু চাণ্ড্ৰা ৰ'ল-ৰকিচে গণসংযোগ অধ্যয়নত নিৰ্ভৰশীলতা সূত্ৰটো আগবঢ়াইছে। ইয়াত তেওঁলোকে বিভিন্ন মনঃস্তাত্ত্বিক তথা সামাজিক কাৰকসমূহৰ জৰিয়তে কিদৰে প্ৰচাৰ মাধ্যমে দৰ্শকৰ ওপৰত নিজা কৰ্তৃত্ব স্থাপন কৰে তাৰ বিশ্লেষণ আগবঢ়াইছে। ডি ফ্লৰ আৰু চাণ্ড্ৰা ৰ'ল-ৰকিচে কৈছে, "গণমাধ্যমৰ কেৱল যাদৃচ্ছিক ধৰণৰ প্ৰভাৱশালী ক্ষমতাৰে অভাৱ নহয়, বৰং, ই দৰ্শকৰ সৈতে যাদৃচ্ছিক যোগাযোগৰ ক্ষেত্ৰত থকা সুবিধাকনো ল'ব নোৱাৰে। দৰ্শক আৰু প্ৰচাৰ মাধ্যম দুয়োটাই সমাজৰ অবিচ্ছেদ্য অংগ। সমাজ এখনৰ সামাজিক-সাংস্কৃতিক অৱস্থাই প্ৰচাৰ মাধ্যমে দিয়া বাৰ্তাৰ প্ৰয়োজনীয়তা আৰু একে সময়তে দৰ্শকৰ ওপৰত ইয়াৰ

প্ৰভাৱ ইত্যাদিবোৰ নিয়ন্ত্ৰণ কৰে।" সমাজ এখন একত্ৰিত কৰি ৰাখিবলৈ, ইয়াৰ গাঁথনিবোৰ ধৰি ৰখাত যোগাযোগৰ মাধ্যমসমূহৰ এক তাৎপৰ্যপূৰ্ণ ভূমিকা আছে। সমাজখন বুজিবলৈ, সমাজৰ বিকাশ বুজিবলৈ তথা সমাজত এক স্থান ল'বলৈ ইত্যাদিয়ে প্ৰচাৰ মাধ্যমৰ প্ৰতি আমাৰ নিৰ্ভৰতা বৃদ্ধি কৰিছে। এনে প্ৰেক্ষাপটত প্ৰচাৰ মাধ্যমে কিছু ক্ষমতা ভোগ কৰা দেখা গৈছে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ উদাৰবাদী বা মুক্ত প্ৰেছ সূত্ৰ কৰ্তৃত্বশীল সূত্ৰৰ ঠিক বিপৰীত। ইয়াত প্ৰেছক (প্ৰচাৰ মাধ্যমক) অধিক স্বাধীনতা দিয়া হয় আৰু লগতে ব্যক্তিক বৌদ্ধিকভাৱেও পৰিপক্ক বুলি ভৱা হয়। দৰ্শকে ভুলৰ ঠাইত শুদ্ধটোকে তেওঁলোকে নিৰ্বাচন কৰিব পাৰে বুলিও গণ্য কৰা হয়। ইয়াৰ পৰাই ৰাইজ আৰু প্ৰেছৰ মাজত সংযোগ আৰম্ভ হয়। ব্যক্তি বা সমূহক মুকলিকৈ ভাৱ প্ৰকাশৰ স্বাধীনতা দিয়া হয়। অহস্তক্ষেপ নীতি এনে ব্যৱস্থাত মানি চলা হয়।



৬.৮ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ সামাজিক দায়িত্ববোধ সূত্ৰটো লিখক।

প্ৰশ্ন ২ ঃ আদৰ্শ সূত্ৰসমূহ কি?

ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ আদৰ্শসূত্ৰসমূহৰ বিভিন্ন ভাগবোৰ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সমাজতাত্ত্বিক সূত্ৰগোটসমূহৰ বিষয়ে ব্যাখ্যা কৰক।

*** ***** ***